**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-11-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***Headlines***

**-----------------------------**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গ্ৰীচৰ প্ৰধানমন্ত্ৰী কাইৰিয়াক'ছ মিটছ'টেকিছ দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত সহমতত উপনীত হৈছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ছদিনীয়া ভ্ৰমণসূচীৰে কাইলৈৰ পৰা অষ্ট্ৰেলিয়া আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব।

৩। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বিভাগে ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধৰত ইউক্ৰেইনলৈ ৪২৫ মিলিয়ন ডলাৰৰ অতিৰিক্ত সুৰক্ষা সাহায্য ঘোষণা কৰিছে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ ক'ল'ৰাড'ত চলি থকা ১৯ বছৰৰ অনুৰ্ধৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত আজি নিশা ভাৰতৰ ৫ গৰাকী মহিলা বক্সাৰ স্বৰ্ণ পদকৰ বাবে খেলত অৱতীৰ্ণ হ'ব।

**আৰু**

৫। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা আটাইকেইটা উইকেট হেৰুৱাই ২৬৩ ৰান সংগ্ৰহ কৰি ২৮ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গ্ৰীচৰ প্ৰধানমন্ত্ৰী কাইৰিয়াক'ছ মিটছ'টেকিছ দুয়োখন দেশৰ মাজত কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত সহমতত উপনীত হৈছে। টেলিফোনযোগে হোৱা এটা কথোপকথনত দুয়োগৰাকী নেতাই ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক মণ্ডল আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিকে ধৰি বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত মত বিনিময় কৰে। দুয়োগৰাকী নেতাই শেহতীয়া উচ্চ পৰ্যায়ৰ মত বিনিময়ৰ জৰিয়তে

দ্বিপাক্ষিক সম্পৰ্ক গঢ়ি তোলাৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ প্ৰশংসা কৰে। তেওঁলোকে বাণিজ্য, প্ৰতিৰক্ষা, জাহাজ পৰিবহন আৰু যোগাযোগকে ধৰি দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশৰ প্ৰগতিৰ পুনৰীক্ষণ কৰে। প্ৰধানমন্ত্ৰীৰ মিটছ'টেকিছে তৃতীয়বাৰৰ বাবে ভাৰতৰ ক্ষমতালৈ অহা শ্ৰীমোদীক অভিনন্দন জনায়।

০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ৬ দিনীয়া ভ্ৰমণ সূচিৰে কাইলৈৰ পৰা অষ্ট্ৰেলিয়া আৰু ছিংগাপুৰলৈ যাব এই ভ্ৰমণৰ সময়ত ড০ জয়শংকৰে ব্ৰিজবেনত অষ্ট্ৰেলিয়াত ভাৰতৰ চতুৰ্থটো দুতাবাস উদ্বোধন কৰিব। ইয়াৰ উপৰিও তেওঁ কেনবেৰাত অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱঙৰ সৈতে ১৫ সংখ্যক বৈদেশিক মন্ত্ৰীৰ আলোচনাৰ সহ-অধ্যক্ষতা কৰিব। অষ্ট্ৰেলিয়াৰ সংসদ ভৱনত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয় ৰাইচিনা ডাউন আণ্ডাৰৰ উদ্বোধনী অধিৱেশনত জয়সংকৰে মুখ্য ভাষণ প্ৰদান কৰিব । তেওঁ অষ্ট্ৰেলিয়াৰ নেতৃবৃন্দ, সংসদ সদস্য, ভাৰতীয় সম্প্ৰদায়ৰ সদস্য, ব্যৱসায়ী সমাজ, সংবাদ মাধ্যম আৰু বুদ্ধিজীৱীসকলৰ সৈতেও মত বিনিময় কৰাৰ কথা।

এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ড০ জয়শংকৰে চলিত মাহৰ ৮ তাৰিখে আনুষ্ঠানিক কাৰ্যসূচীৰে ছিংগাপুৰলৈ যাব, য'ত তেওঁ আছিয়ান-ইণ্ডিয়া নেটৱৰ্ক অৱ থিংক টেংকৰ অষ্টম ঘূৰণীয়া মেজমেলত ভাষণ দিব। তেওঁ ছিংগাপুৰৰ নেতৃত্বকো সাক্ষাৎ কৰি দুয়োখন দেশৰ ঘনিষ্ঠ অংশীদাৰিত্বৰ পৰ্যালোচনা কৰিব আৰু দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধিৰ বাবে পথ অন্বেষণ কৰিব।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বিভাগে ৰাছিয়াৰ বিৰুদ্ধে যুদ্ধৰত ইউক্ৰেইনলৈ ৪২৫ মিলিয়ন ডলাৰৰ অতিৰিক্ত সুৰক্ষা সাহায্য ঘোষণা কৰিছে। পেণ্টাগনে এটা বিবৃতিত কালি

কয় যে এই সাহায্যৰাশি ইউক্ৰেইনৰ সুৰক্ষা আৰু প্ৰতিৰক্ষা প্ৰয়োজন পূৰণ কৰাত ব্যৱহৃত হ'ব। এই সাহায্যৰ অধীনত ৰাষ্ট্ৰীয় উন্নত স্থলভাগৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ ব্যৱস্থা, ষ্টিংগাৰ ক্ষেপনাস্ত্ৰ, গুলি-বাৰুদকে ধৰি ভালেমান অত্যাধুনিক সমৰাস্ত্ৰ কিয়েভক প্ৰদান কৰা হ'ব।

ooooo

ভাৰতীয় উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ সক্ৰিয় অংশগ্ৰহণেৰে জি-২০ৰ এখন বৈঠকে দুৰ্যোগৰ আশংকা হ্ৰাস (ডি আৰ আৰ)ৰ প্ৰথমখন মন্ত্ৰীসভাৰ ঘোষণাপত্ৰ চূড়ান্ত কৰাৰ ক্ষেত্ৰত একমতত উপনীত হৈছে । আজি প্ৰকাশ পোৱা এক আনুষ্ঠানিক বিবৃতিত এই কথা কোৱা হয়।

ব্ৰাজিলৰ বেলেমত ২০২৪ চনৰ ৩০ অক্টোবৰৰ পৰা ১ নৱেম্বৰলৈকে জি-২০ দুৰ্যোগৰ আশংকা হ্ৰাস কৰ্মী গোট মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হয়। বিভিন্ন মন্ত্ৰী পৰ্যায়ৰ অধিৱেশনৰ সময়ত প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব পি. কে মিশ্ৰই দুৰ্যোগৰ আশংকা হ্ৰাসৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি আৰু দুৰ্যোগ নিৰাময়ৰ বাবে বৃদ্ধি কৰা পুঁজিৰ বিষয়ে উল্লেখ কৰে।

প্ৰধান সচিবগৰাকীয়ে দুৰ্যোগৰ আশংকা হ্ৰাসৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰে আৰু দুৰ্যোগৰ আশংকা হ্ৰাস কৰ্মী গোটৰ পাঁচটা অগ্ৰাধিকাৰৰ ওপৰত আলোকপাতকৰে ।এইবোৰ হৈছে আগতীয়া সতৰ্কবাণী ব্যৱস্থা, দুৰ্যোগ প্ৰতিৰোধী আন্তঃগাঁথনি, দুৰ্যোগৰ বিপদ হ্ৰাসৰ বিত্তীয় সাহায্য, স্থিতিস্থাপক পুনৰুদ্ধাৰ আৰু প্ৰকৃতি ভিত্তিক সমাধান। ভাৰতৰ উদ্যোগত জি-২০ৰ অধ্যক্ষতাৰ সময়ত, যোৱা বছৰ নতুন দিল্লীত প্ৰথম দুৰ্যোগৰ আশংকা হ্ৰাস কৰ্মী গোট স্থাপন কৰা হৈছিল.

০০০০০

পাকিস্তানৰ মাষ্টাং জিলাত কালি হোৱা এটা শক্তিশালী বিস্ফোৰণত ৫টা শিশুসহ ৯গৰাকী লোকৰ মৃত্যু হয়। এই ঘটনাত আন ২৯গৰাকী লোক আহত হয়। জিলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি মাষ্টাং অসামৰিক চিকিৎসালয়ৰ সমীপৰ বালিকা হাইস্কুল চকত বোমাটোৰ বিস্ফোৰণ হয়। নিহতসকলৰ ভিতৰত ৫ জনী ছোৱালী, এটা ল'ৰা, এজন আৰক্ষী বিষয়া আৰু দুজন অসমাৰিক লোক আছে। আৰক্ষীৰ মতে মৃত্যু হোৱা শিশুকেইটাৰ বয়স ৫ৰ পৰা ১০ বছৰৰ ভিতৰত। ০০০০০

কাশ্মীৰৰ শ্ৰীনগৰৰ খানয়াৰ অঞ্চলত আজি পুৱা সুৰক্ষা বাহিনীৰ এটা যুটিয়া দলে অভিযান চলায়। গোপন সূত্ৰৰ ভিত্তিত অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ খবৰ পাই সুৰক্ষা বাহিনীয়ে তালাচী চলায়। তেনে অৱস্থাতে লুকাই থকা স্থানৰ পৰা সন্ত্ৰাসবাদীয়ে সুৰক্ষা বাহিনীক লক্ষ্য কৰি গুলি বৰ্ষণ কৰে আৰু সুৰক্ষা বাহিনীয়েও গুলিৰে প্ৰত্যুত্তৰ দিয়ে। বাতৰি অহাৰ পৰলৈকে অঞ্চলটোত দুয়োপক্ষৰ মাজত গুলিয়া গুলি অব্যাহত আছে।

০০০০০

ষট পূজা উপলক্ষ্যে ৰে'ল বিভাগে যাত্ৰীৰ সুচল যাতায়াতৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ ৰে'লগাড়ী চলাচলৰ ব্যৱস্থা কৰিছে। এই বিশেষ ৰে'লগাড়ীসমূহ নতুন দিল্লীৰ আনন্দ বিহাৰ আৰু নিজামদ্দিন ৰে'ল ষ্টেচনৰ পৰা চলাচল কৰিব। আকাশবাণীৰ আগত মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই প্ৰকাশ কৰা অনুসৰি উৎসৱৰ বতৰত দিল্লী অঞ্চলৰ প্ৰধান প্ৰধান ৰে'ল ষ্টেচনসমূহৰ পৰা উত্তৰ ৰে'লৱেই ৩হাজাৰ ২০০ৰো অধিক বিশেষ ৰে'লগাড়ী চলাচলৰ ব্যৱস্থা কৰিছে। ০০০০০

আই এল অ'

০০০০০

ভাৰতৰ কৃশা বাৰ্মাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক'ল'ৰাড'ত চলি থকা ১৯ বছৰৰ অনুৰ্দ্ধৰ বিশ্ব বক্সিং প্ৰতিযোগিতাত কালি এটা স্বৰ্ণ পদক অৰ্জন কৰিছে। আনহাতে ভাৰতৰ আন ৫গৰাকী বক্সাৰ নিজৰ নিজৰ শাখাৰ ফাইনেলত পৰাস্ত হৈ স্বৰ্ণ পদকৰ পৰা বঞ্চিত হ'ল। কৃশাই ফাইনেলত জাৰ্মানীৰ লেৰিকা চাইমনক ৫-০ত পৰাস্ত কৰে। ভাৰতৰ চঞ্চল চৌধাৰীয়ে মহিলাৰ ৪৮ কিলোগ্ৰাম শাখাত ইংলেণ্ডৰ ৰুবী হোৱাইটৰ বিৰুদ্ধে পৰাজিত হৈ ৰূপৰ পদক লাভ কৰে। মহিলাৰ ৫৭ কিলোগ্ৰাম শাখাৰ ফাইনেলত অঞ্জলি সিং ইংলেণ্ডৰ মিয়া-টয়াহ

আইটনৰ বিৰুদ্ধে পৰাজিত হয়। পুৰুষৰ ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত ৰাহুল কুণ্ডুৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ্ জোচেফ উইনংয়াৰ বিৰুদ্ধে খেলি পৰাজিত হয় আৰু ৰূপৰ পদক লাভ কৰে। মহিলাৰ ৬০ কিলেগ্ৰাম শাখাৰ ফাইনেলত ভাৰতৰ ভিনিক এলা লন্ছ্ডালেই ৩-২ ব্যৱধানত পৰাস্ত কৰে। আনহাতে ইংলেণ্ডৰ লিলি ডেকনৰ বিৰুদ্ধে খেলি মহিলাৰ ৭০ কিলোগ্ৰাম শাখাত ভাৰতৰ আকাংক্ষা ফালাছৱাল পৰাজিত হয়। আজি নিশা ভাৰতৰ আন ৫ গৰাকী মহিলা বক্সাৰে স্বৰ্ণ পদকৰ বাবে খেলত অৱতীৰ্ণ হ'ব। একেদৰে পুৰুষৰ ৯০ কিলোগ্ৰাম শাখাত হেমন্ত চেংৱানে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাইচন ছিমৰ বিৰুদ্ধে খেলিব।

০০০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা আটাইকেইটা উইকেট হেৰুৱাই  ২৬৩ ৰান সংগ্ৰহ কৰি ২৮ ৰানৰ অগ্ৰগতি লাভ কৰিছে। সুভমন গীলে সৰ্বাধিক ৯০ ৰানৰ বৰঙণি আগবঢ়ায়।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২৩৫ ৰাণত প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে। জাদেজাই কালিৰ প্ৰদৰ্শনৰ সুবাদত টেষ্ট  জাহিৰ খান আৰু ঈশান্ত শৰ্মাক চেৰ পেলাই ক্ৰিকেটৰ ইতিহাসত দেশৰ হৈ পঞ্চম সৰ্বাধিক উইকেট দখল কৰা বলাৰ হিচাপে পৰিগণিত হয়।

০০০০০০০০